# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-05-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। পাকিস্তানৰ সৈতে কালি হোৱা সংঘৰ্ষ বিৰতিৰ বুজাবুজি কেইবাবাৰো উলংঘা হোৱা বুলি বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰীৰ নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি তেওঁৰ নতুন দিল্লীৰ বাসগৃহত এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়।

৩। আজি ৰাষ্ট্ৰীয় প্ৰযুক্তি দিৱস।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰাণৰ মাজত আজি ওমানত পাৰমাণৱিক আলোচনাৰ পৰৱৰ্তী ৰাউণ্ড অনুষ্ঠিত হ'ব।

*আৰু*

৫। বি চি চি আইৰ বিষয়ববীয়া আৰু আই পি এল পৰিচালনা সমিতিয়ে আজি এই ক্ৰিকেট প্ৰতিযোগিতা সম্পূৰ্ণ কৰাৰ সম্ভাব্য সূচীৰ বিষয়ে আলোচনা কৰিব।

ooooo

পাকিস্তানৰ সৈতে কালি হোৱা সংঘৰ্ষ বিৰতিৰ বুজাবুজি কেইবাবাৰো উলংঘা হোৱা বুলি বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত  শ্ৰীমিশ্ৰিয়ে কয়, যে সশস্ত্ৰ বাহিনীসমূহে সংঘৰ্ষ বিৰতি উলংঘনৰ সমুচিত আৰু যোগ্য প্ৰত্যুত্তৰ দিছে আৰু নতুন দিল্লী মহলে সংঘৰ্ষ বিৰতি উলংঘনৰ ঘটনাক গুৰুত্ব সহকাৰে লৈছে।

ভাৰতে সংঘৰ্ষ বিৰতি উলংঘনৰ ঘটনা ৰোধ কৰাৰ বাবে উচিত পদক্ষেপ ল'বলৈ আৰু গম্ভীৰতা তথা দায়িত্ব সহকাৰে পৰিস্থিতিৰ সন্মুখীন হ'বলৈ পাকিস্তানৰ প্ৰতি আহ্বান জনাইছে। শ্ৰীমিশ্ৰিয়ে কয়, যে সশস্ত্ৰ বাহিনীসমূহে পৰিস্থিতিৰ ওপৰত নজৰ ৰাখি আছে। বিদেশ সচিবগৰাকীয়ে কয়, যে তেওঁলোকক আন্তঃৰাষ্ট্ৰীয় সীমান্ত আৰু নিয়ন্ত্ৰণ ৰেখাত সংঘৰ্ষ বিৰতি উলংঘনৰ ঘটনাৰ দৃঢ়তাৰে সন্মুখীন হ'বলৈ নিৰ্দেশ দিয়া হৈছে।

*-বাইট-মিশ্ৰি-*

শ্ৰীমিশ্ৰিয়ে কয়, যে পাকিস্তানে সঠিকভাৱে পৰিস্থিতি অনুভাৱন কৰা উচিত আৰু অনুপ্ৰৱেশ বন্ধ কৰাৰ বাবে ততালিকে ব্যৱস্থা গ্ৰহণ কৰা উচিত।

ইয়াৰ পূৰ্বে ভাৰত আৰু পাকিস্তানে কালি তাৎক্ষণিকভাৱে গুলীবৰ্ষণ আৰু সামৰিক অভিযান বন্ধ ৰখাৰ কথা ঘোষণা কৰে। বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে নতুন দিল্লীত এই কথা ঘোষণা কৰি কয়, যে পাকিস্তানৰ সামৰিক

অভিযানৰ সঞ্চালক প্ৰধানে কালি দুপৰীয়াৰ ভাগত সংঘৰ্ষ বিৰতিৰ বাবে আহ্বান জনায় আৰু ইয়াৰ পাছত বিষয়টোলৈ আলোচনা হয়। এই আলোচনাত দুয়োপক্ষই গুলীবৰ্ষণ আৰু সামৰিক অভিযান বন্ধ ৰাখিবলৈ সন্মতি প্ৰকাশ কৰে।

*-বাইট-*

সংঘৰ্ষ বিৰতি ঘোষণাৰ পাছতে প্ৰধানমন্ত্ৰীৰ নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত তেওঁৰ নতুন দিল্লীৰ বাসগৃহত এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত বিদেশ মন্ত্ৰী ড° এছ. জয়শংকৰ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভাল, চিফ অব ডিফেন্স ষ্টাফ অনিল চৌহান আৰু সেনা বাহিনীৰ তিনিওটা শাখাৰ মুৰব্বী উপস্থিত থাকে।

00000

কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে কালি ভিডিঅ' কনফাৰেন্সিঙ মাধ্যমেৰে পাকিস্তানৰ সৈতে সীমান্ত ভাগ বাটোৱাৰা কৰা ৰাষ্ট্ৰসমূহৰ মুখ্য সচিবসকলৰ সৈতে আলোচনাত মিলিত হয়। সূত্ৰসমূহে জনোৱা মতে, সীমান্তৰ সিপাৰৰ পৰা গুলীচালনা হ'লে তেওঁলোকক সজাগ হৈ থাকিবলৈ আৰু নিজৰ অঞ্চলত অসামৰিক প্ৰতিৰক্ষা ব্যৱস্থা সক্ৰিয় কৰিবলৈ আহ্বান জনোৱা হৈছে। ভাৰত-পাকিস্তানে সংঘৰ্ষ বিৰতি ঘোষণা কৰাৰ কেইঘণ্টামান পিছতে এই কথা প্ৰকাশ পাইছিল।

00000

ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে ভাৰত আৰু পাকিস্তানৰ মাজৰ সংঘৰ্ষ বিৰতিৰ বুজাবুজিৰ প্ৰতি আদৰণি জনাইছে আৰু ইয়াক সাম্প্ৰতিক উত্তেজনা আৰু শত্ৰুতা হ্ৰাস কৰাৰ দিশত লোৱা ইতিবাচক পদক্ষেপ বুলি অভিহিত কৰিছে। সচিবপ্ৰধানগৰাকীৰ মুখপাত্ৰ ষ্টিফেন দুজাৰিকে কয়, যে এই বুজাবুজিয়ে স্থায়ী শান্তিৰ ক্ষেত্ৰত সহায় কৰিব আৰু দুয়োখন দেশৰ মাজত দীৰ্ঘদিন ধৰি চলি থকা সীমা বিবাদ নিষ্পত্তি কৰাৰ বাবে অনুকূল বাতাবৰণ গঢ়ি তুলিব বুলি শ্ৰীগুটেৰেছ আশাবাদী।

00000

ব্ৰিটেইনেও ভাৰত আৰু পাকিস্তানৰ মাজত হোৱা সংঘৰ্ষ বুজাবুজিৰ প্ৰতি আদৰণি জনাইছে আৰু দুয়োখন দেশকে উত্তেজনা হ্ৰাস কৰাৰ বাবে ব্যৱস্থা ল'বলৈ আহ্বান জনাইছে। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰ্মাৰে কয়, যে দেশখনে সংঘৰ্ষ বিৰতিৰ বাবে কিছুদিন ধৰি উভয় দেশৰ সৈতে আলোচনা কৰি আছিল।

00000

ভাৰতৰ বতৰ বিজ্ঞান বিভাগে কয় যে ২৭ মে'ত দক্ষিণ-পশ্চিম মৌচুমী প্ৰবাহে কেৰালা উপকূলত প্ৰৱেশ কৰাৰ সম্ভাৱনা আছে। দক্ষিণ-পশ্চিম মৌচুমী প্ৰবাহৰ আৰম্ভণিৰ তাৰিখ ১ জুন বু লি ধাৰণা কৰা হৈছিল যদিও পাঁচ দিন পূৰ্বেই এইবাৰ দক্ষিণ-পশ্চিম মৌচুমী বতাহে কেৰালা উপকূলত প্ৰৱেশ কৰাৰ সম্ভাৱনা আছে। খাৰিফ শস্যৰ বীজ সিঁচাৰ বতৰত ইতিবাচক প্ৰভাৱ পৰিব বুলি আশা কৰা হৈছে। ভাৰতৰ বতৰ বিজ্ঞান বিভাগে লগতে ২০২৫ চনৰ বাৰিষা পৰিমাণগতভাৱে স্বাভাৱিকতকৈ বেছি হ'ব বুলি আশা প্ৰকাশ কৰিছে। একেৰাহে দ্বিতীয় বাৰলৈ বতৰ বিজ্ঞান বিভাগে স্বাভাৱিকতকৈ অধিক বৰষুণৰ আশা কৰিছে। মধ্যপ্ৰদেশ, ৰাজস্থান, মহাৰাষ্ট্ৰ, ওড়িশা, ছত্তীশগড়, উত্তৰ প্ৰদেশ, আৰু পশ্চিম বংগত

স্বাভাৱিকতকৈ অধিক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। জম্মু-কাশ্মীৰ, লাডাখ, তামিলনাডু, বিহাৰ, আৰু উত্তৰ-পূবৰ ৰাজ্যসমূহত স্বাভাৱিকতকৈ কম বৰষুণ হ'ব পাৰে।

ooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ ভ্ৰমণৰ ঠিক পূৰ্বেই আজি ওমানত আমেৰিকা আৰু ইৰাণৰ মাজত পাৰমাণৱিক শক্তি সম্পৰ্কীয় এলানি নতুন আলোচনা অনুষ্ঠিত হ'ব। আমেৰিকা-ইৰাণৰ উত্তেজনা অব্যাহত থকা আৰু ট্ৰাম্প প্ৰশাসনৰ ইৰাণ নীতিক লৈ ৱাশ্বিংটনৰ আভ্যন্তৰীণ বিভাজনৰ সময়ত আয়োজিত এই আলোচনাৰ ফলাফলক লৈ অনিশ্চয়তাৰ সৃষ্টি হৈছে। ইয়াৰ পূৰ্বে ৩ মে'ত ৰোমত অনুষ্ঠিত হ'বলগীয়া চতুৰ্থ লানি আলোচনা পিছুৱাই দিয়া হৈছিল। ইৰাণৰ বৈদেশিক মন্ত্ৰী আব্বাছ আৰাঘচিয়ে কয় যে মধ্যস্থতাকাৰী ওমানে আজি আলোচনাৰ প্ৰস্তাৱ আগবঢ়াইছিল আৰু দুয়োপক্ষ সন্মত হৈছে। উল্লেখযোগ্য যে, ট্ৰাম্পে দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমটো বৃহৎ মধ্যপ্ৰাচ্য ভ্ৰমণৰ বাবে ১৩ মে'ৰ পৰা ১৬ মে'লৈ চৌদি আৰব, কাটাৰ আৰু সংযুক্ত আৰব আমিৰশ্বাহী ভ্ৰমণ কৰিব।ৰিয়াদত তেওঁ উপসাগৰীয় সহযোগিতা পৰিষদৰ নেতাসকলক সাক্ষাৎ কৰাৰ সম্ভাৱনা আছে।

ooooo

বাংলাদেশত মহম্মদ ইউনুছৰ নেতৃত্বত গঠিত অন্তৰ্বৰ্তীকালীন চৰকাৰে সন্ত্ৰাসবাদ বিৰোধী আইনৰ অধীনত প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ আৱামি লীগ দল আৰু দলটোৰ নেতাসকলৰ বিচাৰ সম্পূৰ্ণ নোহোৱা পৰ্যন্ত সকলো কাৰ্যকলাপ নিষিদ্ধ কৰিছে। কালি নিশা ঢাকাৰ ৰাজ্যিক অতিথিশালা যমুনাত অনুষ্ঠিত বিশেষ বৈঠকত উপদেষ্টা পৰিষদে এই সিদ্ধান্ত গ্ৰহণ কৰে। আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধিকৰণে যিকোনো ৰাজনৈতিক দল, সংগঠন বা সমৰ্থক গোটক শাস্তি দিব পাৰিব বুলি উত্থাপন হোৱা এটা প্ৰস্তাৱত কালি পৰিষদে অনুমোদন জনায়।

ooooo

বেলুচ লিবাৰেচন আৰ্মী BLAএ বেলুচিস্তানৰ ৩৯টা স্থানত আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে। প্ৰেছ বিজ্ঞপ্তিযোগে BLAএ ঘোষণা কৰিছে যে কৌশলগত লক্ষ্যৰে এই অভিযানসমূহ এতিয়াও চলি আছে। বিএলএৰ মুখপাত্ৰ জীয়ান্দ বালোচে দাবী কৰা মতে এই আক্ৰমণত আৰক্ষী থানা, সামৰিক কনভয়, ঘাইপথৰ কাষৰ আন্তঃগাঁথনিকে ধৰি বিভিন্ন স্থানক লক্ষ্য কৰি লোৱা হৈছে। বিএলএই অঞ্চলটোৰ মূল পথসমূহ অৱৰোধ কৰাৰ লগতে থানাসমূহ দখল কৰা বুলিও দাবী কৰিছে। বিএলএ হৈছে বেলুচ জনসাধাৰণৰ স্বাধীনতাৰ দাবীৰে পাকিস্তানৰ বেলুচিস্তানত গঠিত এটা সশস্ত্ৰ বিদ্ৰোহী গোট। ৰাজনৈতিক, অৰ্থনৈতিক শোষণ, পাকিস্তানৰ সামৰিক দমনৰ বিৰোধীতাৰে বিএলএই স্বাধীন বেলুচিস্তানৰ দাবী কৰি আহিছে।

ooooo

আজি ৰাষ্ট্ৰীয় প্ৰযুক্তি দিৱস। ভাৰতে ১৯৯৮ চনৰ আজিৰ দিনটোতে ৰাজস্থানৰ পোখৰানত পাৰমাণিক বোমাৰ সফল পৰীক্ষণ সম্পন্ন কৰিছিল। এই দিনটোৱে দেশৰ প্ৰগতি আৰু উন্নয়নত প্ৰযুক্তিৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা সোঁৱৰাই দিয়ে। এই দিনটোত ভাৰতৰ প্ৰথম থলুৱা বিমান হংসা থ্ৰীৰ উৎক্ষেপনৰ ক্ষেত্ৰত বৈজ্ঞানিক অভিযন্তা আৰু উদ্ভাৱকসকলৰ অৱদান আৰু বিশ্বৰ ষষ্ঠটো পাৰমাণিক পৰীক্ষাৰ কথা স্মৰণ কৰা হয়। দৈনন্দিন জীৱনত প্ৰযুক্তিৰ ভূমিকাৰ ওপৰত আলোকপাত কৰা আৰু যুৱ প্ৰজন্মক বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰতি আকৰ্ষিত কৰাই এই দিৱসৰ মূল উদ্দেশ্যে। দেশত কৃত্ৰিম বুদ্ধিমত্তা, জৈৱ প্ৰযুক্তি আৰু কোৱাণ্টাম কম্পিউটিঙৰ দৰে অত্যাধুনিক প্ৰযুক্তিৰ মাধ্যমেৰে প্ৰগতি আৰু উদ্ভাৱনৰ শক্তিৰ প্ৰসাৰতো ৰাষ্ট্ৰীয় প্ৰযুক্তি দিৱসে সহায় কৰে।

ooooo

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আইৰ বিষয়ববীয়া আৰু আই পি এল পৰিচালনা সমিতিয়ে আজি এই ক্ৰিকেট প্ৰতিযোগিতা সম্পূৰ্ণ কৰাৰ সম্ভাব্য সূচীৰ বিষয়ে আলোচনা কৰিব বুলি পৰিষদৰ উপাধ্যক্ষ ৰাজীৱ শুক্লাই প্ৰকাশ কৰিছে। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ভাৰতে সিন্দূৰ অভিযান চলোৱাৰ পৰিপ্ৰেক্ষিতত ভাৰত আৰু পাকিস্তানৰ সীমান্ত বিবাদ পূৰ্ণকালীন যুদ্ধৰ ৰূপ লোৱাৰ সম্ভাৱনালৈ চাই বি চি চি আয়ে শুকুৰবাৰে এই প্ৰতিযোগিতা স্থগিত ৰাখিছিল। প্ৰতিযোগিতাত এতিয়াও ১৬ খন খেলিবলৈ বাবী আছে। উল্লেখযোগ্য যে, ভাৰত আৰু পাকিস্তানৰ  সংঘৰ্ষৰ বাবে যোৱা বৃহস্পতিবাৰে ধৰমশালাত পাঞ্জাব কিংছ আৰু ডেলহি কেপিটেলছৰ মাজত অনুষ্ঠিত খেলখন আধাতে পৰিত্যক্ত ঘোষণা কৰা হৈছিল।

ooooo

**সমাপ্ত**